# জাননী

অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকায়ৰ অন্তৰ্গত হাটবৰ (নগাঁও), গনককুছি (বৰপেটা), উত্তৰ লখিমপুৰ (লখিমপুৰ) আৰু মুছলপুৰ (বাক্সা) ত অৱস্থিত হস্ততাঁত প্ৰশিক্ষন প্ৰতিস্থানত ২০২০-২১ বৰ্ষৰ এবছৰীয়া চাৰ্টিফিকেট পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে । প্ৰাৰ্থী অসমৰ স্থায়ী বাসিন্দা হোৱাৰ লগতে ভাৰতীয় নাগৰিক হব লাগিব। আবেদনকাৰীৰ প্ৰাৰ্থী কমেও হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ আৰু হস্ততাঁত বস্ত্ৰশিল্প বিভাগৰ অধীনৰ হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰৰ এবছৰীয়া আৰ্টিজেন পাঠ্যক্ৰমত উত্তীৰ্ণ হোৱা হব লাগিব । প্ৰাৰ্থীৰ বয়স ইং ১/১/২০২০ তাৰিখে ১৮ বছৰৰ কম আৰু ৩০ বছৰৰ বেছি হব নালাগিব । অনুসূচীত জাতি / জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ বাবে বয়সৰ উৰ্দ্ধতম সীমা ২ বছৰ ৰেহাই দিয়া হব আৰু তেওঁলোকৰ বাবে চৰকাৰী নিয়ম অনুযায়ী আসন সংৰক্ষণৰ ব্যৱস্থা থাকিব। প্ৰাৰ্থী সকলে নিৰ্দ্ধাৰিত প্ৰ-পত্ৰখন নিজ হাতেৰে লিখি একপি পাচপৰ্ট ফটোসহ অহা ইং ৩১/১/২০২০ ৰ ভিতৰত হাটবৰ, গনককুছি, উত্তৰ লখিমপুৰ আৰু মুছলপুৰৰ প্ৰশিক্ষণ প্ৰতিস্থানৰ কাৰ্য্যালয়ত পোৱাকৈ পঠাব লাগিব । নিৰ্দ্ধাৰিত তাৰিখৰ পিছত কোনো আবেদন পত্ৰ গ্ৰহণ কৰা নহব । ডাকযোগে পঠিওৱা আবেদন পত্ৰ পোৱা নোপোৱাৰ ক্ষেত্ৰত কোনো ধৰনৰ আপত্তি গ্ৰহণ যোগ্য নহব । প্ৰতিজন প্ৰাৰ্থীয়ে কেৱল এখন আবেদন পত্ৰহে দাখিল কৰিব লাগিব । এই সম্পৰ্কত বিস্তাৰিত তথ্য আৰু প্ৰ পত্ৰ হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ জিলা আৰু মহকুমা পৰ্য্যায়ৰ বিষয়াৰ কাৰ্য্যালয়ৰ পৰা সংগ্ৰহ কৰিব পাৰিব ।

উল্লেখযোগ্য যে প্ৰশিক্ষণৰ সময়ছোৱাত প্ৰতিজন প্ৰাৰ্থীৰ স্বভাৱ, চৰিত্ৰ, শ্ৰেণীত নিয়মীয়া উপস্থিতি আৰু প্ৰশিক্ষণৰ অগ্ৰগতিৰ ওপৰত নিৰ্ভৰ কৰি চৰকাৰে ধাৰ্য্য কৰা হাৰত মাহিলী বৃত্তি পোৱাৰ ব্যৱস্থা থাকিব । প্ৰাৰ্থীসকলৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ফলাফল আৰু এবছৰীয়া আৰ্টিজেন কৰ্চৰ ফলাফলৰ ভিত্তিত নিৰ্বাচন কৰা হব । উচ্চ শিক্ষাৰ প্ৰাৰ্থী সকলক অগ্ৰাধিকাৰ দিয়া হব। প্ৰশিক্ষণৰ কালত প্ৰাৰ্থীসকলে থকা খোৱা ব্যৱস্থা নিজেই কৰিব লাগিব । নিৰ্দ্ধাৰিত প্ৰাৰ্থীক প্ৰশিক্ষণৰ শেষত বিভাগীয় চৰকাৰী চাকৰি দিয়াৰ ক্ষেত্ৰত কোনো দায়বদ্ধতা নাথাকিব।

প্ৰাৰ্থী নিৰ্বাচন তথা অন্যান্য ক্ষেত্ৰত নিৰ্ব্বাচিত মন্দলীৰ ৰায় চুড়ান্ত বুলি বিবেচিত হব। এই সকলো বিষয়তে সঞ্চালকৰ কতৃত্ব সংৰক্ষিত থাকিব ।

সঞ্চালক,

হস্ততাঁত আৰু বস্ত্ৰশিল্প, অসম

১০।১২।২০ গুৱাহাটী - ১